শীঘ্ৰেই ফিতনাই দেখা দিব। সাৱধান! সেই ফিতনাৰ সময়ছোৱাত চলমান লোকতকৈ বহি থকা লোক বেছি নিৰাপদ থাকিব। এইদৰে দ্ৰুতগামী লোকতকৈ চলমান লোক বেছি সুৰক্ষিত থাকিব।

উছমান আশ্ব-শ্বাহহামৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ মই আৰু ফাৰক্বাদ ছাবাখী মুছলিম ইবনে
আবি বাকৰাৰ ওচৰলৈ গ'লোঁ, সেই সময়ত তেওঁ নিজৰ ভূমিত আছিল। আমি তেওঁৰ ওচৰলৈ গৈ
সুধিলোঁ যে, আপুনি আপোনাৰ পিতৃৰ পৰা ফিতনা সম্পৰ্কীয় কোনো হাদীছ বৰ্ণনা কৰা শুনিছেনে? তেওঁ ক'লেঃ হয়। মই (মোৰ পিতা) আবু বাকৰা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা শুনিছোঁ, তেওঁ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা বৰ্ণনা কৰি কৈছেঃ "শীঘ্ৰেই ফিতনাই দেখা দিব। সাৱধান! সেই ফিতনাৰ সময়ছোৱাত চলমান লোকতকৈ বহি থকা লোক বেছি নিৰাপদ থাকিব। এইদৰে দ্ৰুতগামী লোকতকৈ চলমান লোক বেছি সুৰক্ষিত থাকিব। জানি থোৱা! যেতিয়া ফিতনা আপতিত হ'ব অথবা সংঘটিত হ'ব, সেই সময়ছোৱাত যাৰ উট আছে তেওঁ নিজৰ উটকলৈ ব্যস্ত থকা ভাল, এইদৰে যাৰ ছাগলী আছে তেওঁ নিজৰ ছাগলীকলৈ ব্যস্ত থকা উচিত, আৰু যাৰ খেতি-বাতি আছে তেওঁ নিজৰ খেতি-বাতিত ব্যস্ত থকা উচিত।" এই কথা শুনি এজনে সুধিলেঃ হে আল্লাহৰ ৰাছুল! যাৰ উট, ছাগলী আৰু খেতি-বাতি একো নাই, তেওঁ কি কৰিব? তেতিয়া তেখেতে ক'লেঃ "সি যেন নিজৰ তৰোৱাল শিলেৰে ভোটা কৰি লয়, আৰু ইয়াৰ পিছত ৰক্ষা পোৱাৰ কোনো উপায় থাকিলে সেইটো যেন অৱলম্বন কৰে। হে আল্লাহ! মই পৌঁচাই দিছোঁনে? হে আল্লাহ! মই পৌঁচাই দিছোঁনে? হে আল্লাহ! মই পৌঁচাই দিছোঁনে?" বৰ্ণনাকাৰীয়ে কৈছেঃ এজনে সুধিলেঃ হে আল্লাহৰ ৰাছুল! যদি কোনোবাই মোক বাধ্য কৰাই কোনো এটা শাৰীত থিয় কৰায় অথবা কোনো এটা দলত সোমোৱাই লয়, ফলত কোনোবাই যদি
মোক শিৰচ্ছেদ কৰি দিয়ে অথবা যদি কাঁড় নিক্ষেপ কৰি হত্যা কৰে, তেন্তে মোৰ অৱস্থা
কি হ'ব? তেখেতে ক'লেঃ "তেনেহ'লে সি নিজৰ আৰু তোমাৰ গুনাহৰ বোজা বহন কৰি জাহান্নামী
হৈ পৰিব।"
[ছহীহ] [(মুছলিম)]

উছমান আশ্ব-শ্বাহহাম আৰু ফাৰকাদ ছাবাখীয়ে মহামান্য চাহাবীয়ে ৰাছুল আবু বাকৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পুত্ৰ মুছলিমৰ ওচৰলৈ গৈ সুধিলে যে, তেওঁ তেওঁৰ পিতৃৰ পৰা মুছলিমসকলৰ মাজত হোৱা যুদ্ধ বিগ্ৰহ আৰু ফিতনা সম্পৰ্কে নবী চাল্লাল্লাহু আলাইহি অছাল্লাম পৰা কোনো হাদীছ বৰ্ণনা কৰা শুনিছে নেকি? তেওঁ ক'লেঃ হয়। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, তেখেতৰ মৃত্যুৰ পিছত ফিতনা দেখা দিব। এই ফিতনাৰ সময়ছোৱাত ফিতনাৰ মাজত চলমান ব্যক্তিতকৈ ফিতনা সম্পৰ্কে অমনোযোগী হৈ বহি থকা ব্যক্তি উত্তম। এইদৰে ফিতনা সম্পৰ্কে সন্ধান কৰি তাত অংশ লোৱা ব্যক্তিতকৈ চলমান ব্যক্তি বেছি উত্তম। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে সেই ব্যক্তিক দিশ-নিৰ্দেশনা দিছে, যাৰ জীৱন কালত এনেকুৱা ফিতনাই দেখা দিব অথবা সংঘটিত হ'ব, যদি তেওঁ এই ফিতনাৰ পৰা ৰক্ষা পোৱাৰ কোনো আশ্ৰয়স্থল পায়, তেন্তে তেওঁ তাত আশ্ৰয় লোৱা উচিত। এতেকে যাৰ ওচৰত উট আছে, তেওঁ নিজকে উটৰ চোৱাচিতাৰ কামত নিয়োগ কৰি ব্যস্ত থকা উচিত। এইদৰে যাৰ ওচৰত ছাগলী আছে, তেওঁ ছাগলীৰ চোৱাচিতাৰ কামতে নিজক ব্যস্ত ৰখা উচিত। এইদৰে যাৰ খেতি বাতি আছে, তেওঁ খেতি বাতিত ব্যস্ত থকা উচিত। এই কথা শুনি এজনে সুধিলেঃ হে আল্লাহৰ ৰাছুল! যদি কাৰো ওচৰত উট ছাগলী অথবা খেতি বাতি একো নাথাকে, তেওঁ কি কৰিব? তেখেতে কৈছেঃ তেন্তে তেওঁ যেন নিজৰ অস্ত্ৰ বা তৰোৱালক নিষ্ক্ৰিয় কৰি দিয়ে, আৰু ইয়াৰ পৰা ৰক্ষা পাবলৈ নিজৰ সন্তান সন্ততিক

লৈ বেলেগ ঠাইলৈ গুচি যায়। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহক সাক্ষী কৰি তিনিবাৰ কৈছেঃ হে আল্লাহ! মই মোৰ বাৰ্তা পৌঁচাই দিছোঁনে? হে আল্লাহ! মই মোৰ বাৰ্তা পৌঁচাই দিছোঁনে? হে আল্লাহ! মই মোৰ বাৰ্তা পৌঁচাই দিছোঁনে? এই কথা শুনি এজনে সুধিলেঃ হে আল্লাহৰ ৰাছুল! যদি কোনোবাই মোক বাধ্য কৰি কোনো এটা শাৰীত থিয় কৰোৱায় অথবা দুয়ো দলৰ যিকোনো এটাত অংশীদাৰ কৰে, আৰু বিপৰীত পক্ষই মোৰ ওপৰত তৰোৱালেৰে আক্ৰমণ কৰে, নাইবা কাঁড় নিক্ষেপ কৰি মোক হত্যা কৰে, তেনে ক্ষেত্ৰত মোৰ পৰিণাম কি হ'ব? তেখেতে ক'লেঃ সি তোমাৰ আৰু নিজৰ গুনাহ লৈ উভতিব। লগতে কিয়ামতৰ দিনা সি জাহান্নামীসকলৰ অন্তৰ্ভুক্ত হ'ব।

http://sunnah.global/hadeeth/as/show/66383